

# "মোৰ আই অসম"

অসমৰ বাটে বাটে বিয়াপি ইতিহাসৰ ছায়া,
ব্ৰহ্মপুত্ৰৰ ঢৌত বাজে অতীতৰ মায়া,
মোৰ জননী মাটিৰ গৰ্ভে গঢ়ে সাহসৰ গান
এই মাটিৰ স্মৰণে হৃদয় জ্বলে সৰ্বক্ষণ ধ্যান।

সেউজীয়া পাহাৰে ৰাখে সাংস্কৃতিৰ ধ্বজা,
জনজাতিৰ কণ্ঠত বয় ঐক্যৰ সজাগ সুৰীয়া,
শৌৰ্য আৰু ত্যাগেৰে গঢ়া এই পৱিত্ৰ দেশ,
অসমৰ নামতেই জাগে আত্মাৰ সজীৱ জ্যোতিৰেশ।

চাহ বাগিচাৰ সুবাসে সজাই জীৱনৰ কাহিনী,
লোকগীতৰ সুৰে কয় ভালপোৱাৰ মিঠা ধনী,
এই ভূমিৰ বাবে মোৰ হৃদয় থাকে সদায় প্ৰস্তুত,
অসমৰ গৌৰৱতেই মোৰ জীৱন সদায় সজীৱ মুক্ত।

নাম - জেবা চুলতানা
- চতুৰ্থ ষাণ্মাসিক

# "গামোচাৰ মৰম"

বহুদিন চহৰত পঢ়ি থাকি ৰবি অলপ সলনি হৈ গৈছিল। নতুন বন্ধুবৰ্গ, নতুন চিন্তা — এইবোৰৰ মাজত সি নিজৰ গাঁও, নিজৰ মানুহ নিজৰ সাংস্কৃতিৰ পৰা অলপ আঁতৰি গৈছিল। গামোচা, বিহু — এইবোৰ তাৰ বাবে যেন লাহে লাহে মাত্ৰ এটা "old - fashion" বিষয় হৈ পৰিছিল। শীতৰ এদিন সি ঘৰলৈ ঘূৰি আহিল। ঘৰত সোমোৱাৰ লগে লগে তাৰ আইতাই নিঃশব্দে এখন গামোচা তাৰ হাতত ধৰাই দিলে। গামোচাখন পুৰণি আছিল, কিন্তু তাৰ ভিতৰত যেন বহু স্মৃতি সঞ্চিত আছিল।

ৰবিয়ে অলপ হাঁহি ক'লে,

"আইতা, এতিয়াও এইবোৰ ৰাখিছা নে? এতিয়া কোনে ব্যৱহাৰ কৰে এইবোৰ।

আইতাই অলপ থমকি, মৃদু হাঁহি এটা মাৰি ক'লে —

"এইখন কাপোৰ নহয় অ', এইখনত তোৰ দেউতাৰ ঘাম আছে, মোৰ সপোন আছে..... এইখনেই আমাৰ ঘৰ খনৰ মৰম।"

নাম- কুথিং শইকীয়া
- চতুৰ্থ ষাণ্মাসিক

ঘৰখন হঠাৎ নিস্তব্ধ হৈ পৰিল। ৰবিয়ে একো কথা নোৱাৰিলে। গামোচাখন হাতত লৈ আঙুলিতে সি যেন নিজৰ শৈশৱৰ দিনবোৰ দেখি পালে — বিহুৰ দিন, হাঁহি, আৰু সেই সৰল জীৱন।

তাৰ বুকুখন অলপ ধুকধুক কৰিলে। সি বুজিলে— যি বস্তুবোৰক সি "সাধাৰণ" বুলি এৰি গৈছিল, সেইবোৰেই আছিল তাৰ জীৱনৰ আটাইতকৈ মূল্যবান অংশ।

সেইদিনা ৰবিয়ে কেৱল এখন গামোচা নলʼলে — সি নিজৰ শিপা আৰু নিজৰ পৰিচয় পুনৰ ঘূৰাই পালে।

নিজৰ সংস্কৃতি কেতিয়াও সৰু বুলি ভাবিব নালাগে — ইয়াতেই আমাৰ জীৱনৰ সঁচা মূল্য লুকাই থাকে।

# "অসমৰ সংস্কৃতিৰ মূল্য"

অসমৰ সাংস্কৃতি হৈছে এক জীৱন্ত পৰম্পৰা, যি আমাৰ দৈনন্দিন জীৱনত শ্বাস-প্ৰশ্বাসৰ দৰে জড়িত হৈ আছে। ই আমাৰ চিন্তা, আচৰণ আৰু সমাজৰ সৌন্দৰ্যক এক বিশেষ ৰূপ দিয়ে। অসমৰ মাটি কেৱল প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰা নহয়, ইয়াত মানুহৰ হৃদয়তো এক উষ্ণতা আৰু একতাৰ অনুভৱে বাস কৰে। বিহু, লোকসংগীত, পৰম্পৰাগত সাজ-পোছাক আৰু স্থানীয় খাদ্য - এই সকলোবোৰে আমাৰ জীৱনক আনন্দ আৰু গৌৰৱেৰে পূৰ্ণ কৰে। এই সাংস্কৃতি আমাক কেৱল আনন্দ নিদিয়ে, ই আমাক শিকায় কিদৰে একেলগে থাকিব লাগে। ই আমাক সন্মান আৰু মৰমেৰে জীৱন আগবঢ়াব লাগে। ই আমাৰ অতীতৰ কাহিনী কঢ়িয়াই আনে আৰু ভৱিষ্যতৰ পথ দেখুৱাই।

যদি আমি নিজৰ সাংস্কৃতিৰ পৰা দূৰ হৈ যাওঁ, তেন্তে ধীৰে ধীৰে আমাৰ নিজৰ পৰিচয়ও যথেষ্ট অস্পষ্ট হৈ যাব পাৰে। সেয়ে ইয়াক যত্নেৰে ধৰি ৰখা আৰু আগবঢ়াই নিয়া আমাৰ দায়িত্ব। সাংস্কৃতি এক অনুভৱ - যি আমাৰ হৃদয়ত নিজৰ মাটিৰ প্ৰতি গভীৰ ভালপোৱা জগাই তোলে।

→ ৰং:পি পৰ্গে, টগুম্ খাপ্মা-

# মোৰ অসম মোৰ গৌৰৱ

"সংস্কৃতি হৈছে জাতি এটাৰ আত্মা।"

"নিজৰ শিল্প জানিলেহে সাহিত্যৰ উন্নতি সম্ভৱ।"

"ঐতিহ্য ৰক্ষা কৰা মানে নিজৰ পৰিচয় ৰক্ষা কৰা।"

"অসম সৰলতা, সৌন্দৰ্য আৰু ঐক্যৰ ভূমি।"

নাম - দিপান্বীতা বৰুৱা
- চতুৰ্থ ষাণ্মাসিক

দুলীয়াজান মহাবিদ্যালয়

विद्यया साधयेत्

দুলীয়াজান মহাবিদ্যালয়